


Assam HealthCare coop Society Limited

# শৰীৰমাদ্যং

বাৰ্তা আলোচনী, আগষ্ট, ২০১৮

ৰাইজৰ উদ্যোগত স্বাস্থ্য সেৱা

## অভিনৱ প্ৰচেষ্টা

### চিকিৎসা ব্যয়

**দেশত** ব্যক্তিগত স্বাস্থ্যখণ্ডৰ ভূমিকা বৃহৎ। ৭০%ৰো অধিক ৰোগী ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ভৰ্তি হ'ব লগা হয়। এনে একোজন ৰোগীৰ গড় হিচাপত বছৰেকীয়া আয়ৰ ৫৮% ব্যয় হয়। মাথো ১০% নাগৰিকৰহে স্বাস্থ্য-বীমা আছে, তাকো গৰিষ্ঠ সংখ্যকৰ আংশিক। ফলত ৪০%ৰো অধিক ৰোগীয়ে ধন ধাৰ কৰিব বা সম্পত্তি বেচিবললগীয়া হয়। এওঁলোকৰ ২৫%ৰো অধিক দাৰিদ্ৰ সীমাৰেখাৰ তললৈ পতিত হ'ব লগা হয়। অধিকাংশ ব্যয় ঔষধ কিনাৰ বাবে হয়। এইবোৰ চৰকাৰী পৰিসংখ্যা।

### চিকিৎসা বিভ্ৰাত

**বিশ্বত** বছৰি ৪২১ নিযুত চিকিৎসালয়ত ভৰ্তি হয়—ইয়াৰ ৪২.৭ নিযুত ভুল চিকিৎসাৰ বলি হয়, বহুজন মৃত্যুমুখত পৰে। ভুলবোৰৰ দুই-তৃতীয়াংশ ভাৰতৰ দৰে নিম্ন আৰু মধ্য আয়ৰ দেশসমূহত সংঘটিত হয় (বিশ্ব স্বাস্থ্য সংস্থা)। আমাৰ ব্যক্তিগত চিকিৎসালয়সমূহে 'ৰোগী সুৰক্ষা' আৰু 'গুণগত সেৱা' নিশ্চিত কৰিবলৈ কি ব্যৱস্থা লৈছে তথ্যপাতি পোৱা নাযায়।

### কমিছনৰ অঙ্ক

**২০১১** চনত অসমত কৰা এক ক্ষেত্ৰভিত্তিক গৱেষণা মতে চিকিৎসকে ৰোগ-নিৰ্ণয়কাৰী পৰীক্ষাৰ বাবে অপ্ৰয়োজনীয় অনুমোদন কৰে। তদুপৰি নিৰ্দিষ্ট প্ৰতিষ্ঠানলৈহে অনুমোদন কৰি যাবলৈ দিয়ে। বিনিময়ত চিকিৎসকজনক ৰোগ-নিৰ্ণয়কাৰী প্ৰতিষ্ঠানটোৱে নিৰ্দিষ্ট হাৰত কমিছন দিয়ে। ই এটা 'নিয়ম'ত পৰিণত হৈছে বুলি গৱেষণাটোত কোৱা হৈছে।

### ৰাইজৰ উদ্যোগত বিকল্প

**এই** আসোঁৱাহবোৰৰ নিৰাময়ৰ বাবে এক বিকল্প হিচাপে ছেপ্তেম্বৰ, ২০১৬ চনত অসম স্বাস্থ্যসেৱা সমবায় পঞ্জীয়ণভূক্ত হৈছিল। আজি সমবায়ৰ অংশীদাৰ আৰু হিতাধিকাৰী সদস্য সংখ্যা ক্ৰমে ২০০ আৰু ২৮০০ অতিক্ৰম কৰিছে।

### আঁচনি ৰূপায়ন

**২০১৭** চনৰ মে' মাহত অনুষ্ঠিত সাধাৰণ সভাৰ সময়ৰ পৰাহে সমবায়ৰ কাম-কাজ প্ৰকৃতাৰ্থত আৰম্ভ হৈছে। যোৱা সাধাৰণ সভাত দিয়া প্ৰতিশ্ৰুতি ৰূপায়ন কৰাৰ উপৰিও সমবায়ে অধিক সাফল্য লাভ কৰিছে। ৰাইজৰ উদ্যোগত স্বাস্থ্যসেৱা এই অভিনৱ ধাৰণাটো আজি সুপ্ৰতিষ্ঠিত হৈছে। এতিয়া ধাৰণাটো প্ৰসাৰৰ সময়। সমূহ অংশীদাৰ সক্ৰিয় হৈ কাৰ্যবাহী দলটোক হাতে-কামে সহায়-সহযোগিতা আগবঢ়োৱাৰ সময়।

### সফলতা

**স্বাস্থ্যসেৱা** খণ্ডত গঢ়ি উঠা দেশৰ প্ৰথম সমবায়খনে এবছৰতে 'বিকল্প' সেৱাৰ আৰ্হি গঢ়ি

ৰোগ প্ৰতিৰোধ শিবিৰ



গুৱাহাটী বিহু সন্মিলন, ৪.৩.১৮



শিল্পী সাহায্য নিধি, ১৫.৪.১৮



ছিপাঝাৰ, ৮.২.১৮

ইয়াৰ পৰীক্ষামূলক সফলতা (Proof of Concept) প্ৰদৰ্শন কৰিছে। ধাৰণাটো যে বাস্তৱ প্ৰতিষ্ঠিত হৈছে।

## ব্যক্তিগত খণ্ডৰ সৈতে সহযোগিতা

**ব্যক্তিগত** খণ্ডক বিৰোধিতা নকৰি বৰং সহযোগী হিচাপে লৈ সদস্যসকলৰ বাবে উচ্চমানৰ সেৱা আৰু ৰেহাই নিশ্চিত কৰিব পাৰি–আমাৰ এই প্ৰথম ধাৰণাটো সুপ্ৰতিষ্ঠিত হৈছে। আৰম্ভণিতে 'আয়ুৰসুন্দ্ৰ' প্ৰতিষ্ঠানে সমবায়ৰ সদস্যসকলক ৰেহাই মূল্যত পৰীক্ষা আগবঢ়াবলৈ বুজাবুজিৰ চুক্তিত উপনীত হৈছিল। যোৱা বছৰটোত এই পৰ্যন্ত গুৱাহাটী আৰু দিল্লীৰ কেইবাটাও ৰোগ-নিৰ্ণয়কাৰী প্ৰতিষ্ঠান আৰু চিকিৎসালয়ে আমাৰ সদস্যসকলক ৰেহাই দিবলৈ আগবাঢ়ি আহিছে। উপভোক্তা সংঘবদ্ধ আৰু সচেতন হলে মধ্যভোগী আঁতৰাই সেৱা বা পণ্যৰ স্ফীত মূল্য কমাব পৰা যায়—ই নতুন ধাৰণা নহয়। কিন্তু স্বাস্থ্যখণ্ডত এয়া আমাৰ প্ৰথম সফল প্ৰয়োগ।

## স্বকীয় সেৱা

**ঠিক** তেনেদৰে ৰাইজ একগোট হৈ নিজেই স্বাস্থ্যসেৱা গঢ়ি তুলিবলৈ সক্ষম-এই দ্বিতীয়টো ধাৰণাও যোৱা বছৰটোত প্ৰতিষ্ঠিত হৈছে। সমবায়ে স্বকীয় সেৱা গঢ়ি তুলিবলৈ উদ্যোগ লোৱাটো এটা কৌশলী পদক্ষেপ। গুৱাহাটী ক্লাবত 'আয়ুৰকল্প' নামেৰে প্ৰথমখন ক্লিনিক মুকলি হৈছে। মহামাৰী হৈ পৰা মেদবহুলতা, ডায়েবেটিছ, উচ্চৰক্তচাপ আৰু হৃদযন্ত্ৰৰ ৰোগৰ প্ৰৱণতা তথা লক্ষণৰ পূৰ্বে ৰোগ নিৰ্ধাৰণৰ বিশেষ উদ্দেশ্য লৈ এখন আদৰ্শ প্ৰাথমিক চিকিৎসা কেন্দ্ৰ হিচাপে 'আয়ুৰকল্প'ক গঢ়ি তুলিবলৈ প্ৰচেষ্টা হৈছে। অংশীদাৰসকলে 'আয়ুৰকল্প'ৰ সেৱাসমূহ দৈনন্দিনভাৱে ব্যৱহাৰ কৰিবলৈ আগবাঢ়ি আহিব লাগিব, আনকো জনাব লাগিব। এয়া আপোনালোকৰ দায়িত্ব। দ্বিতীয়খন 'আয়ুৰকল্প' ক্লিনিক গুৱাহাটী বিশ্ববিদ্যালয়ৰ নতুন 'মাৰ্কেট কমপ্লেক্স'ত আৰম্ভ হৈছে। ছেপ্তেম্বৰৰ পৰা ইয়াত সেৱা পূৰ্ণ পৰ্যায়ত আৰম্ভ হ'ব। 'প্ৰধান মন্ত্ৰী ভাৰতীয় জন ঔষধী কেন্দ্ৰ' প্ৰকল্পৰ অধীনত ইয়াত এখন Generic Medicineৰ ফাৰ্মাচী বিশেষভাৱে সক্ষম উদ্যোগী যুৱক শ্ৰী অনুভৱ মহন্তই সমবায়ৰ অধীনত স্থাপন কৰিব।
বিশ্ববিদ্যালয়ৰ ক্লিনিকখন পৰিচালনা কৰিবলৈ স্থানীয় অংশীদাৰক লৈ এখন তত্বাবধায়ক কমিটি গঠন কৰা হৈছে। এই কমিটিখনে কেন্দ্ৰীয় কমিটিৰ দিহা-পৰামৰ্শ, নিয়ম-নীতিৰ আধাৰত কাম-কাজ পৰিচালনা কৰিব। অংশীদাৰসকলৰ পাৰদৰ্শিতা কামত লগোৱাটো সমবায়ৰ এক কৌশলী পদক্ষেপ।

## উদ্যমীক উৎসাহ

**ব্যক্তিগত** উদ্যমী বা প্ৰতিষ্ঠানৰ সহযোগিতাত সমবায়ৰ লক্ষ্য-আদৰ্শৰ ভিত্তিত যুটীয়া সেৱা গঢ়ি তুলিবলৈ লোৱা উদ্যোগ সমবায়ৰ আন এটা কৌশল। ইয়াৰ জৰিয়তে তুলনামূলকভাৱে কম সময়তে অনুঘটকৰ নিচিনাকৈ প্ৰভাৱ বিস্তাৰ কৰি সমবায়ে উন্নত সেৱা গঢ়ি তুলিবলৈ সক্ষম হ'ব। এই কৌশলৰ আধাৰত ইতিমধ্যে গুৱাহাটী ক্লাবৰ 'আয়ুৰকল্প'ৰ লগালগিকৈ এখন ফিজিঅ'থেৰাপী প্ৰতিষ্ঠান আৰু এখন ফাৰ্মাচী আৰম্ভ হৈছে। সমবায়ে নিজাকৈ বিনিয়োগ নকৰাকৈয়ে নিজৰ ছত্ৰচায়াত উদ্যোগী যুৱকক আকৰ্ষণ কৰি সদস্যসকলৰ বাবে ৰেহাই মূল্যত সেৱাৰ ব্যৱস্থা কৰিবলৈ সক্ষম হৈছে। সদিচ্ছাৰ পৰিচয় হিচাপে অংশীদাৰসকলে সেৱাসমূহ নিয়মীয়াকৈ গ্ৰহন কৰিবলৈ সকলোকে উৎসাহী কৰি তোলাটোহে এতিয়া মূল কথা। উদাহৰণস্বৰূপে যদি মাথোঁ ৫০জনেও তেওঁলোকৰ প্ৰয়োজনীয় ঔষধখিনি মাহেকীয়া ভিত্তিত ফাৰ্মাচীখনৰ পৰা ক্ৰয় কৰে, উদ্যোগীজন সুন্দৰভাৱে চলি থকাই নহয় তেওঁ সৰ্বোচ্চ ৰেহাই আগবঢ়ালেও সক্ষম হ'ব।

## জনহিতকৰ কামকাজ

**সমবায়ে** জনহিতকৰ কামকাজৰে দৃষ্টান্ত স্থাপন কৰিছে। আজি অসংক্ৰামক ৰোগসমূহে ধনী-দুখীয়া নিৰ্বিশেষে সকলোকে আক্ৰান্ত কৰিছে। এক মহামাৰীৰ ৰূপ ধাৰণ কৰিছে। ইয়াক নিয়ন্ত্ৰনৰ একমাত্ৰ উপায় হৈছে প্ৰতিৰোধ কৰা। ইয়াৰ বাবে স্বাস্থ্যসন্মত জীৱন-নিৰ্বাহ আৰু সচেতনতাৰ প্ৰয়োজন। কেইটামান মাহতেই সমবায়ে ১৭ টা ৰোগ-প্ৰতিৰোধ শিবিৰ অনুষ্ঠিত কৰি ৰাইজৰ সহাৰি লাভ কৰিছে। বহুলোক এই শিবিৰসমূহত হিতাধিকাৰী সভ্যভৰ্তি হৈ সমবায়ক শক্তিশালী কৰিছে। ৰোগ-প্ৰতিৰোধ শিবিৰ সমূহত নিৰ্দিষ্ট প্ৰণালী (Protocol) অনুসৰি উচ্চতা-ওজন লৈ মেদগ্ৰস্ততা নিৰ্ধাৰণ কৰা হয়। লগতে ৰক্তচাপ আৰু তেজত চেনীৰ পৰিমান জোখা হয়। ইয়াৰ জৰিয়তে প্ৰয়োজনীয় উপদেশ দিলে লোকজনৰ সচেতনতা বাঢ়ে। কেতিয়াবা নজনাকৈ হৈ থকা যেনে মধুমেহ ৰোগ আগতীয়াকৈ ধৰা পৰে। এইধৰণৰ শিবিৰৰ জৰিয়তে কিমান কল্যাণসাধন কৰিব পৰা যায় সঁচাকৈয়ে বিষ্ময়কৰ। আমাৰ কাৰ্যবাহী দলটোৱে পকেটৰ টকা-পইছা খৰছ কৰিও এই শিবিৰসমূহ চলাই আছে। স্থানীয় ৰাজহুৱা কমিটি যেন বিহু কমিটি ইত্যাদিৰ সহযোগত এই শিবিৰসমূহ কৰা হয়। কিন্তু উপযুক্ত অনুদান বা পূজি নোহোৱাকৈ এই শিবিৰসমূহ চলাই ৰখাটো দূৰূহ। অংশীদাৰসকক এইক্ষেত্ৰত দিহা-পৰামৰ্শ দিবলৈ অনুৰোধ জনোৱা হ'ল। এই জনহিতকৰ কামত সমবায়ে কোনোমতে যতি পৰিবলৈ দিব নোখোঁজে, কাৰণ ই সমবায়খন শক্তিশালী কৰি তোলাৰ বাবে অপৰিহাৰ্য।

## অভিলাষী লক্ষ্য

**সম্ভৱপৰ** ক্ষেত্ৰসমূহত পৰ্যায়ক্ৰমে আঁচনি লোৱা হ'ব। ভ্ৰাম্যমাণ সেৱাৰ জৰিয়তে পদুলিলৈ ৰোগ-প্ৰতিৰোধকাৰী স্বাস্থ্যসেৱা লৈ যাব পৰা অভিলাসী আঁচনি সম্ভৱ। নিয়মীয়াকৈ ঔষধৰ প্ৰয়োজন হোৱা সদস্যক ঘৰলৈ যোগান ধৰাৰ এটা সহজ ব্যৱস্থা গঢ়ি তুলিব পৰা যায়। সদস্য-গ্ৰাহকৰ সংখ্যা বৃদ্ধি হ'লে ই সহজসাধ্য হৈ পৰিব আৰু সৰ্বাধিক ৰেহাই দিব পৰা যাব। উচ্চমান বিশিষ্ট চিকিৎসা সেৱাৰ সা-সঁজুলিও কম দামত উপলব্ধ কৰোৱা হ'ব। টেলিমেডিচিন সেৱা বা ৰাজ্যৰ বাহিৰলৈ উচ্চ চিকিৎসাৰ বাবে যাবলগীয়া হোৱা ৰোগীক নিৰপেক্ষ পৰামৰ্শ আৰু ভ্ৰমন সহজসাধ্য কৰি দিয়াৰ ব্যৱস্থা কৰাটো সমবায়ৰ আন হ্ৰস্বকালীন এক লক্ষ্য। মধ্যকালীন পৰ্যায়ত উচ্চ মানদণ্ডৰ এখন আদৰ্শ চিকিৎসালয় গঢ়ি তোলাৰ বাবেও গুণা-গাঁথা কৰা হৈছে।

## এক কাৰ্যক্ষম বিকল্প

**আমাৰ** প্ৰাৰম্ভিক প্ৰকল্পসমূহৰ সফলতাই 'ৰাইজৰ উদ্যোগত বিকল্প সেৱা'ৰ ধাৰণাটো শক্তিশালীভাৱে প্ৰতিষ্ঠা কৰিছে। ডায়েৰি, কৃষি, ৰিটেইল, বেংকিং আদি ক্ষেত্ৰত সফল সমবায়ৰ উদাহৰণ আছে। সমবায় কাৰ্যক্ষম বিকল্প বুলি বিশ্বতে প্ৰতিষ্ঠিত। বিদেশত স্বাস্থ্যসেৱাৰ ক্ষেত্ৰতো সফল উদাহৰণ আছে। আমাৰ সফলতাত অনুপ্ৰাণিত হৈ দক্ষিণ অসমতো এখন স্বাস্থ্যসেৱা সমবায় অলপতে গঠন হৈছে। আমাৰ সমবায়খনৰ কাৰ্যক্ষেত্ৰ এতিয়া সমগ্ৰ অসম কৰি তোলাটো প্ৰয়োজনীয় হৈ পৰিছে যাতে এই আন্দোলন সুসংহতভাৱে আগবাঢ়ে। অতি উৎসাহৰ ফলত বহু স্বাস্থ্য সমবায় গঠন হ'লে জটিলতাৰ সৃষ্টি হ'ব পাৰে।
চৰকাৰে স্বাস্থ্য সমবায়ক সহায়-সহযোগিতা কৰিলে ব্যক্তিগত খণ্ডৰ ওপৰতো সেৱা সহজলভ্য আৰু মান উন্নত কৰিবলৈও হেঁচা পৰিব। চৰকাৰী চিকিৎসালয়সমূহে দুৰ্বল শ্ৰেণীৰ সেৱাত অধিক মনোনিবেশ কৰিব পাৰিব।

**ডাঃ উমেশ চন্দ্ৰ শৰ্মা**
**সভাপতি, অসম স্বাস্থ্য সেৱা সমবায়**



ৰোগ প্ৰতিৰোধ শিবিৰ সমূহৰ জৰিয়তে সমবায়ে ৰাইজৰ আস্থা লাভ কৰাৰ লগতে হিতাধিকাৰী ভৰ্তি কৰিবলৈ সক্ষম হৈছে। হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি সমবায়ৰ লক্ষ্য সাধনৰ অন্যতম কৌশল। হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি হলেহে সমবায়ৰ হাত শক্তিশালী হ'ব ফলত ৰোগ নিৰ্ণয়কাৰী প্ৰতিষ্ঠান আৰু হস্পিতালৰ পৰা ৰেহাইৰ লগতে উন্নত সেৱা দাবী কৰিবলৈ সক্ষম হ'ব। আনকি নিজা হস্পিতাল স্থাপন এটা সপোন হৈ নাথাকি বাস্তৱ লক্ষ্য হৈ পৰিব।




Path Care®
COMPLETE DIAGNOSTIC SOLUTION

AYURSUNDRA™
Your healthcare partner

SRL Diagnostics

HAYAT HOSPITAL

Indraprastha Apollo HOSPITALS
TOUCHING LIVES

medanta THE MEDICITY | dedicated to life

down town hospital
care, cure & comfort

NORTH EAST CANCER HOSPITAL AND RESEARCH INSTITUTE
11 Miles,Amerigog,Jorabat,Guwahati-781023,Assam

Primus Diagnostic Panacea

**আমাৰ সভ্যক ৰেহাই দিয়া ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান**

**অধিক প্ৰতিষ্ঠানৰ সোনকালে যোগদান**

**এক লক্ষ হিতাধিকাৰী সভ্যভৰ্তি আমাৰ লক্ষ্য**




**যোগাযোগ, সভ্যভৰ্তি, ক্লিনিক এপইন্টমেন্ট আদিৰ লগতে শেহতীয়া বা-বাতৰি, কামকাজ সম্পৰ্কে অৱগত হৈ থাকিবলৈ নিয়মীয়াকৈ www.assamhealthcare.coop চাওক।**

TODAY, I HAVE GOT A DISCOUNT OF RS.504 FOR MY ULTRA SONOGRAPHY AT AYURSUNDRA, BELTOLA LAB. I AM SHARING WITH ALL OF YOU.

GOOD, WE ALSO AVAILED A DISCOUNT OF RS. 350 ON BRAIN SCANNING RECENTLY FROM AYURSUNDRA, ULUBARI THROUGH THIS CARD. THE CARD IS BENEFICIAL.

GOOD, WE ALSO AVAILED A DISCOUNT OF RS. 590+150 ON MRI $ BLOOD TEST RECENTLY FROM PRIMUS, GUWAHATI THROUGH THIS CARD. THE CARD IS BENEFICIAL.

TODAY GOT 40% DISCOUNT ON BLOOD TEST AT PATHCARE.

# আজি অসম স্বাস্থ্য সেৱা সমবায়ৰ প্ৰথমখন ক্লিনিক মুকলি

গুৱাহাটী ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১৪ আগষ্ট ঃ অসম স্বাস্থ্য সেৱা সমবায়ে গঢ়ি তুলিবলৈ উদ্যোগ লোৱা এলানি আধুনিক চিকিৎসা সেৱা কেন্দ্ৰৰ প্ৰথমখন গুৱাহাটী ক্লাবৰ ছেইন্ট মেৰী স্কুলৰ কাষত নিৰ্মাণ কৰি তোলা হৈছে। স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি কেন্দ্ৰটো ১৫ আগষ্টত মুকলি কৰা হ'ব। উদ্যোক্তাসকলে জনোৱা মতে, আগবঢ়াব খোজা সম্পূৰ্ণ সেৱাসমূহ ছেপ্টেম্বৰ-অক্টোবৰ মাহৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব। উল্লেখযোগ্য যে একাংশ *দহ পিঠিলৈ*

নিয়মীয়া বাৰ্তা
মঙলবাৰ, ৬ ফেব্ৰুৱাৰী ২০১৮

অসম বাৰ্তা

অসম জনস্বাস্থ্য সমবায় সমিতিৰ ব্যতিক্ৰমী পদক্ষেপ

## ছিপাঝাৰত ৮০০ ৰোগীক বিনামূলীয়া চিকিৎসা

উপভোক্তাক একগোট কৰাৰ প্ৰয়াস



## অসম হেলথ কেয়াৰ কো-অপাৰেটিভ ছ'চাইটীৰ শ্বেয়াৰ চাৰ্টিফিকেট বিতৰণ

